**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 27-02-2026 **Time :** 0900 Hrs.

১। শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্টট্ৰেক আদালত গঠনকে ধৰি কেইবাটাও সিদ্ধান্তত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।

২। ধেমাজি আৰু শদিয়াত আজি মুখ্যমন্ত্ৰীৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৩। অন্তৰ্দেশীয় জলপথ প্ৰাধিকৰণৰ উদ্যোগত ডিব্ৰুগড়ৰ বগীবিলত সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ মুকলি কাৰ্যসূচী।

৪। গ্ৰীণ ফিল্ড বিমান বন্দৰৰ সম্ভাৱনীয়তা জৰীপৰ বাবে ৰাজ্য চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধিকৰণৰ মাজত আজি বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠান।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশৰ বাবে ভাৰতৰ সম্ভাৱনা উজ্জ্বল। যোৱা নিশা ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত জিম্বাব'ৱেৰ বিৰুদ্ধে ভাৰতৰ ৭২ ৰানত জয়লাভ।

oooooo

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্টট্ৰেক আদালত গঠনত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন দিছে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটো ক্ষিপ্ৰ গতিত মিমাংসাৰ দিশে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ফাষ্টট্ৰেক আদালত গঠনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অনুৰোধ জনোৱাৰ সিদ্ধান্ত লোৱা হৈছে। এই বিশেষ আদালতৰ বাবে ন্যায়ালয়ে এজন ন্যায়াধীশ নিযুক্তি দিয়াৰ লগতে নীতি-নিয়ম প্ৰস্তুত কৰি বাকী ব্যৱস্থাসমূহ গ্ৰহণ কৰিব বুলি তেওঁ উল্লেখ কৰে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সা-সুবিধাসমূহ প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

***(বাইট ঃ ড০ শৰ্মা)***

মন্ত্ৰীসভাৰ বৈঠকত চাহ শ্ৰমিকৰ দৈনিক মজুৰী অন্তৰ্বৰ্তীকালীনভাৱে অহা এক এপ্ৰিলৰ পৰা ৩০ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ শ্ৰমিকে ২৮০ টকাকৈ আৰু বৰাকৰ চাহ শ্ৰমিকে ২৫৮ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ছমাহৰ পাছত নতুন শ্ৰম আইন বলৱৎ হ'লে চাহ শ্ৰমিকৰ মজুৰী ৩০০ টকাতকৈ অধিক হ'ব। বৈঠকত পঞ্চায়ত

আৰু গ্ৰামোন্নয়ন বিভাগত ঠিকাভিত্তিক কাম কৰি থকা ৪৫ বছৰ উৰ্ধৰ চাকৰিয়ালৰ কাৰ্যকাল ৬০ বছৰলৈ বৃদ্ধিত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই লগতে ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰা ৩৩ হাজাৰ ৬৫৬ গৰাকী আশাকৰ্মী আৰু দুহেজাৰ ৫৭০ গৰাকী আশা ছুপাৰভাইজাৰক একোখনকৈ স্কুটী প্ৰদানৰো সিদ্ধান্ত লয়। তদুপৰি অহা ১০ মাৰ্চত ৩৯ লাখ ৭০ হাজাৰ অৰুণোদয় হিতাধিকাৰীক ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। গুৱাহাটীত এই অনুষ্ঠানৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে পঞ্চায়ত আৰু গাঁও অঞ্চলত সভা অনুষ্ঠিত কৰি হিতাধিকাৰীসকলৰ মাজত ধন বিতৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীসভাই শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত ১২২ কোটি টকা ব্যয় সাপেক্ষে এখন কৃষি মহাবিদ্যালয় স্থাপনত অনুমোদন জনায়। এইখন হ'ব বৰাক উপত্যকাৰ প্ৰথমখন কৃষি মহাবিদ্যালয়। ইপিনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু অন্যান্য সংৰক্ষিত অঞ্চলসমূহৰ সৈতে পাৰিপাৰ্শ্বিক সংযোগ অটুত ৰখা তথা জৈৱ বৈচিত্ৰ সংৰক্ষণৰ লক্ষ্যৰে ভৰলিমুখ অঞ্চলৰ এহেজাৰ ৩৯৭ দশমিক ৫-৮ হেক্টৰ ভূমি প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণাৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ ৩২ হাজাৰ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰিব। এই উপলক্ষে জিলাখনৰ দেউৰীবিলত আয়োজিত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব। খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠাসমূহৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে চৰকাৰে সমষ্টিভিত্তিত ভূমিপট্টা বিতৰণৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই এই অনুষ্ঠানৰ সৈতে ধেমাজিত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শদিয়াত ৪১৮ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই শদিয়াৰ অম্বিকাপুৰত ১৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ষষ্ঠ অসম আৰক্ষী কমাণ্ডো বাহিনীৰ কাৰ্যালয় আৰু হাস্পতাল চাৰিআলি-টুপছিঙা ঘাট সংযোগী আৰ চি চি দলংখন উদ্বোধন কৰাৰ লগতে শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন মুকলি কৰিব। তেওঁ লগতে কাকপথাৰত বহুমুখী ইন্দোৰ ষ্টেডিয়ামৰ উন্নয়ন, ছপাখোৱাত বীৰ লাচিত ষ্টেডিয়ামৰ উন্নয়নকে ধৰি বহুকেইটা ৰাজহুৱা সা-সুবিধাৰ উন্নীতকৰণ প্ৰকল্পৰ লগতে শক্তিখণ্ড আৰু পথ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অম্বিকাপুৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক বলিন চেতিয়া উপস্থিত থাকিব।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ অধীনৰ অন্তৰ্দেশীয় জলপথ প্ৰাধীকৰণৰ উদ্যোগত ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত নতুন ৰূপত নিৰ্মাণ কৰা ঐতিহ্য ভৱনটোও মুকলি কৰিব। এই উপলক্ষে আজি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আয়োজিত অনুষ্ঠানত পৰিবহন মন্ত্ৰী চৰণ বড়ো, স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, বিমল বৰা, ৰূপেশ গোৱালাকে ধৰি

ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। শ্ৰী সোণোৱালে এই অনুষ্ঠানৰ পৰাই ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদো উদ্বোধন কৰিব। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

নুমলীগড় শোধনাগাৰ লিমিটেডৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত গাঁঠনিগত দক্ষতা বিকাশ পদক্ষেপৰ প্ৰথমটো প্ৰকল্প কালি মাজুলীত সফলতাৰে সমাপ্ত হয়। ২০২৫ চনৰ ছেপ্তেম্বৰৰ পৰা ২০২৬ চনৰ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত এই ছমহীয়া আবাসীক প্ৰশিক্ষণ কাৰ্যসূচীত ৰাজ্যখনৰ ৬০ জনৰো অধিক প্ৰশিক্ষাৰ্থীক গেছ প্লাম্বিঙৰ ব্যৱহাৰিক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰচেষ্টাই প্ৰশিক্ষাৰ্থীসকলক মহানগৰৰ গেছ বিতৰণ খণ্ডত নিয়োজিত হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত অংশ লৈ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড০ অনিল কুমাৰ জৈনে এইদৰে কয়-

***(বাইট ঃ ড০ জৈন)***

০০০০০০০

বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াক শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে কালি সন্মানীয় ডি-লিট সন্মান প্ৰদান কৰে। বিশ্ববিদ্যালয়খনৰ আচাৰ্য-উপাচাৰ্য আৰু পঞ্জীয়কে সাহিত্যিকগৰাকীৰ ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰত থকা বাসগৃহত উপস্থিত হৈ এই সন্মান প্ৰদান কৰে। উল্লেখযোগ্য যে গুৱাহাটীত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত স্বাস্থ্যজনিত কাৰণত শ্ৰী শইকীয়া উপস্থিত থাকিব নোৱাৰাত বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষই তেওঁৰ বাসগৃহত গৈ এই সন্মান প্ৰদান কৰে।

০০০০০০০

ৰাজ্যত নতুন গ্ৰীণফিল্ড বিমান বন্দৰৰ সম্ভাৱনীয়তা জৰীপৰ বাবে আজি অসম চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধীকৰণৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অতিথি হিচাপে উপস্থিত থাকিব। গ্ৰীণফিল্ড বিমান বন্দৰৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যান অঞ্চল, উমৰাংছ', মাজুলী আৰু ডিফুৰ নাম প্ৰস্তাৱ কৰা হৈছে। অনুষ্ঠানত আঞ্চলিক বিমান যোগাযোগ ব্যৱস্থাৰ সৰলীকৰণ, পৰ্যটন খণ্ডৰ বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰসাৰ আৰু বাণিজ্যিক সুযোগ বৃদ্ধি তথা কৌশলগত সংযোগৰ সুচল কৰণ সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশৰ বাবে ভাৰতৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিছে। যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰতে জিম্বাব'ৱেক ৭২ ৰানত পৰাজিত কৰাৰ পাছতে দলটোৰ বাবে সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে। ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত অহা দেওবাৰে ভাৰতে ৱেষ্ট ইণ্ডিজক পৰাজিত কৰিব পাৰিলেই চেমিফাইনেলত স্থান নিশ্চিত হ'ব। কালিৰ খেলখনত ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ২৫৭ ৰানৰ বিশাল লক্ষ্যৰে খেল আৰম্ভ কৰি জিম্বাব'ৱেই নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰত হৈ হৰ্ষদীপ সিঙে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে জিম্বাব'ৱেই টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২৫৬ ৰান সংগ্ৰহ কৰে। হাৰ্ডিক পাণ্ডিয়াই ৫৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। তিলক বাৰ্মাই ৪৪ আৰু অ'পেনিং বেটছমেন অভিষেক শৰ্মাই ৫৫ ৰানৰ বৰঙণি আগবঢ়ায়।

কালি অনুষ্ঠিত আন এখন খেলত দক্ষিণ আফ্ৰিকাই ৱেষ্ট ইণ্ডিজক ৯ উইকেটত পৰাজিত কৰে।

প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ড নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া সাত বজাত অনুষ্ঠিত হ'ব।

ooooo

জেষ্ঠ্য সাংবাদিক বলদেৱ পাণ্ডেৰ কালি নতুন দিল্লীৰ এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। প্ৰায় ১৫ বছৰ ধৰি পূৰ্বাঞ্চল প্ৰহৰীৰ সৈতে জড়িত পাণ্ডে নিৰ্ভীক আৰু নিৰপেক্ষ সাংবাদিকতাৰ বাবে সুপৰিচিত আছিল।

ooooooo

ৰাজ্যিক মন্ত্ৰীসভাত অহা ১ এপ্ৰিলৰ পৰা চাহ শ্ৰমিকৰ দৈনিক মজুৰি অন্তৰৱৰ্তীকালীন ভাৱে ৩০ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অষ্টম শ্ৰেণীৰ পাঠ্যপুথিত থকা এটা অধ্যায়ত ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ প্ৰতি অৱমাননাসূচক কথা সন্নিবিষ্ট কৰাৰ বাবে এন চি ই আৰ টিৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে।এই বাতৰিটো দৈনিক অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যৰ যুৱ শক্তিক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লগতে তেওঁলোকৰ শৈক্ষিক উত্তৰণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাখনো আঁচনি শুভাৰম্ভ কৰা বাতৰিটো দি আছাম ট্ৰিবিউন, অসমীয়া খবৰ, আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্ট ট্ৰেক আদালত গঠনত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন দিয়া বাতৰিটোক দা ছেণ্টিনেল কাকতে মুখ্য বাতৰিত স্থান দিছে।

গুৱাহাটীত এয়াৰ বাছ মেইণ্টেনেঞ্চ আৰু ৰিপেয়াৰিং হাব স্থাপন কৰা হব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooooo